# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 03-10-2026

**Time :** 1340 Hrs.

## *Assamese MIDDAY Bulletin*

১। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে অৰ্থনৈতিক সৰলীকৰণ আৰু সামাজিক সৰলীকৰণৰ বিষয় দুটা পৃথক বা সুকীয়া সুকীয়াকৈ চাব পৰা নাযায় বুলি মন্তব্য কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানে আজি ১২ বছৰ সম্পূৰ্ণ কৰিছে।

৩। চৰকাৰে কুখ্যাত মাদক দ্ৰব্য সৰবৰাহকাৰী নৰপ্ৰীত সিঙক তুস্কৰ পৰা ভাৰতলৈ সফলতাৰে ঘূৰাই আনিবলৈ সমৰ্থ হৈছে।

৪। নেপালৰ গণ্ডকী প্ৰদেশত আজি বাছ পথৰ পৰা লুটি খাই পৰাত কমেও ছজন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ১০ জন আহত হয়। *আৰু*

৫। ভাৰতে এছিয়ান গেমছৰ পুৰুষৰ ক্ৰিকেটৰ ফাইনেলত পাকিস্তানক ১৯ ৰানত পৰাস্ত কৰিছে।

০০০০

অৰ্থনৈতিক স্থিতিস্থাপকতাক সামাজিক স্থিতিস্থাপকতাৰ পৰা পৃথক কৰিব নোৱাৰি। নতুন দিল্লীত আজি পঞ্চম কৌতিল্য অৰ্থনৈতিক সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে গণতন্ত্ৰ আৰু উন্নয়ন একেলগে প্ৰগতিৰ দিশত অগ্ৰসৰ হ'ব পাৰে। সহমত অন্তৰ্ভুক্তিকৰণ আৰু সঁহাৰিজনক নীতি নিৰ্ধাৰণে বহনক্ষম উন্নয়নৰ ভেটি গঢ়ে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে নগৰিক, উদ্যোগ আৰু অঞ্চলসমূহৰ উন্নয়নে প্ৰকৃত স্থিতিস্থাপকতা নিশ্চিত কৰিব পাৰে। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ়ি তোলাৰ সামূহিক প্ৰচেষ্টা অব্যাহত ৰাখিবলৈও তেওঁ আহ্বান জনায়।

***(বাইট ঃ চি পি ৰাধাকৃষ্ণন)***

শ্ৰী ৰাধাকৃষ্ণনে সংকটৰ সময়ত ঐক্যমতৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰা অতি প্ৰয়োজন বুলি উল্লেখ কৰে। তেওঁ কয়, যে বিতৰ্ক আৰু আলোচনা অতি প্ৰয়োজনীয় যদিও শেষত ইয়াৰ দ্বাৰা সকলোৰে বাবে গ্ৰহণযোগ্য সিদ্ধান্তত উপনীত হ'ব লাগিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাহেকীয়া অনুষ্ঠান মন কি বাতে আজি ১২ বছৰ সম্পূৰ্ণ কৰিছে। ২০১৪ চনৰ আজিৰ দিনটোতে, বিজয়া দশমী উপলক্ষে মন কী বাতৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হৈছিল। শেহতীয়াভাৱে মন কী বাতৰ ১৩৮ সংখ্যক খণ্ড প্ৰচাৰ কৰা হৈছে। এই ১২ বছৰত মন কী  বাতে দেশৰ বিকাশৰ যাত্ৰাত নাগৰিকসকলক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ লগতে সমগ্ৰ দেশত চলি থকা ইতিবাচক পৰিৱৰ্তনক গুৰুত্ব দিয়াৰ ক্ষেত্ৰত

এখন অনন্য মঞ্চ প্ৰদান কৰি আহিছে। এই অনুষ্ঠানৰ জৰিয়তে দেশৰ বিভিন্ন প্ৰান্তত শিক্ষা, স্বাস্থ্যসেৱা, পৰিবেশ সংৰক্ষণ, উদ্ভাৱন আৰু সমাজ সেৱাকে ধৰি বিভিন্ন দিশত পৰিৱৰ্তনৰ সূচনা কৰা নাগৰিকসকলৰ প্ৰেৰণাদায়ক কাহিনী আলোচনা কৰা হয়। মন কী বাত আকাশবাণী আৰু দুৰদৰ্শনৰ লগতে এ আই আৰ নিউজ ৱেবচাইট আৰু নিউজ অন এ আই আৰ মবাইল এপতো উপলব্ধ। অনুষ্ঠানটো এ আই আৰ নিউজ, ডিডি নিউজ, দ্য পি এম অৰ লগতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলতো পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়।

০০০০

চৰকাৰে কুখ্যাত মাদক দ্ৰব্য সৰবৰাহকাৰী নৰপ্ৰীত সিঙক তুৰস্কৰ পৰা ভাৰতলৈ সফলতাৰে ঘূৰাই আনিবলৈ সমৰ্থ হৈছে। দেশৰ বিধি বলৱৎকাৰী সংস্থাসমূহৰ এই সাফল্যৰ বিষয়ে সামাজিক মাধ্যমযোগে অৱগত কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে নৰপ্ৰীত সিঙেনৱাব ৰিৰ্কৰ ভুৱা পৰিচয়েৰে তুৰস্কৰ নাগৰিকত্ব লাভ কৰি আফগানিস্তানৰ পৰা ভাৰতলৈ হেৰ'ইন আৰু মেথমেফ্টামাইন সৰবৰাহ কৰি আহিছিল। তেওঁ কয়, যে বিধি বলৱৎকাৰী সংস্থাসমূহে সকলোধৰণে প্ৰয়াস চলাই অপৰাধীজনৰ প্ৰকৃত পৰিচয় উদঙাই তেওঁৰ প্ৰত্যৰ্পণ সম্ভৱ কৰি তুলিছে। মাদকদ্ৰব্য সৰবৰাহ আৰু অন্য অপৰাধৰ সৈতে জড়িত কেইবাটাও গোচৰ সংক্ৰান্তত নৰপ্ৰীত সিঙক কাৰাৰুদ্ধ কৰা হৈছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰী শ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে পলাতক অপৰাধীসকলক ভাৰতলৈ ঘূৰাই অনাৰ বাবে সমন্বিত অভিযান আৰম্ভ কৰিছে। তেওঁ লগতে কয়, যে ২০১৯ চনৰ যোৱা আগষ্টলৈকে ৩৬ খন দেশৰ পৰা মুঠ ২৮৮ জন পলাতক অপৰাধী ভাৰতলৈ ঘূৰাই অনা হৈছে। বৰ্তমান চৰকাৰে পলাতক অপৰাধীসকলৰ প্ৰত্যৰ্পণৰ বিষয়টো ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ হিচাপে লৈছে বুলি উল্লেখ কৰি শ্ৰী শ্বাহে কয়, যে পূৰ্বৰ চৰকাৰসমূহৰ দিনত পলাতক অপৰাধীসকলক ঘূৰাই অনাৰ ক্ষেত্ৰত ৰাজনৈতিক সদিচ্ছাৰ অভাৱ দেখা গৈছিল। শ্ৰী শ্বাহে পলাতক অপৰাধীসকলৰ বিৰুদ্ধে শক্তিশালী সমন্বয়, দক্ষ কূটনীতি আৰু বিশ্বৰ বিভিন্ন দেশৰ সৈতে যোগাযোগৰ তিনি তৰপীয়া কৌশলৰ পোষকতা কৰে। এই সাফল্যৰ বাবে সকলো সংস্থাক অভিনন্দন জনাই শ্ৰী শ্বাহে কয়, যে ২০২৯ চনৰ পূৰ্বে মাদকদ্ৰব্যৰ সৈতে জড়িত প্ৰতিটো চক্ৰক উৎখাত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

০০০০

নেপালৰ গণ্ডকী প্ৰদেশত আজি বাছ পথৰ পৰা লুটি খাই পৰাত কমেও ছজন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ১০ জন আহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে কাঠমাণ্ডু অভিমুখী বাছখনত চালকসহ মুঠ ১৮ গৰাকী আৰোহী আছিল। আহতসকলক প্ৰাদেশিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০

মহাৰাষ্ট্ৰৰ হিংগৌলি জিলাৰ ৱাচমত তালুকাত আজি পুৱা ৯ বাজি ৪৩ মিনিটত ভূমিকম্প অনুভূত হয়। ৰিখটাৰ স্কেলত ৪ দশমিক ৫ প্ৰাবল্যৰ এই ভূমিকম্পৰ পূৰ্বে ৩ দশমিক ৩ প্ৰাবল্যৰ আন এটা ভূমিকম্প অনুভূত হয়। এই ভূমিকম্পটো নানদেড় জিলাৰ আৰ্ধাপুৰ, মুদখেড়, লৌহা আৰু নাইগাঁও তালুকাতো এই ভূমিকম্পৰ কম্পন অনুভূত হয়। নানদেড় জিলা দুৰ্যোগ ব্যৱস্থাপনা কেন্দ্ৰই অঞ্চলটোত অনুভূত হোৱা ভূমিকম্প ৪ দশমিক ০-৪ প্ৰাৱল্যৰ আছিল বুলি প্ৰকাশ কৰে। হিংগৌলি জিলা প্ৰশাসনে বাসিন্দাসকলক শান্ত হৈ থাকিবলৈ আৰু সুৰক্ষা সম্পৰ্কীয় নীতি-নিৰ্দেশনাসমূহ মানি চলিবলৈ আহ্বান জনাইছে। যদিহে পৰৱৰ্তী পৰ্যায়ত আৰু ভূমিকম্পৰ কম্পন অনুভূত হয়, তেন্তে বাসিন্দাসকলক ঘৰৰ পৰা ওলাই বাহিৰৰ মুকলি ঠাইত ৰ'বলৈ আহ্বান জনাইছে।

০০০০

এছিয়ান গেমছৰ পুৰুষৰ ক্ৰিকেটৰ ফাইনেলত ভাৰতে আজি পাকিস্তানক ১৯ ৰানত পৰাস্ত কৰে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই  ২১১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অভিশেখ শৰ্মাই ৬১ ৰান আৰু তিলক বাৰ্মাই ৫১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত পাকিস্তানে ২০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ১৯২ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০

জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত আৰ্চাৰীৰ মহিলাৰ ব্যক্তিগত ৰিকাৰ্ভ শিতানত ভাৰতৰ কুমকুম মোহড়ে সোণৰ পদক জয় কৰিছে। কুমকুমে ফাইনেলত দক্ষিণ কোৰিয়াৰ অহ য়েজিনক পৰাস্ত কৰে। ইয়াৰ লগে লগে প্ৰতিযোগিতাত ভাৰতৰ সোণৰ পদকৰ সংখ্যা ১৭ লৈ বৃদ্ধি পালে।

ভাৰতীয় এথলীটসকলে চতুৰ্দশ দিনাও বক্সিং, মল্লযুঁজ আৰু আৰ্চাৰীত নিজৰ দক্ষতা, দৃঢ়তা আৰু ক্ৰীড়াশৈলীৰ সুন্দৰ প্ৰদৰ্শনৰ ধাৰা অব্যাহত ৰাখে।

ইপিনে ভাৰতীয় মহিলা হকী দলে কালি ফাইনেলত চীনক ১-০ গ'লত  পৰাস্ত কৰি সোণৰ পদক লাভ কৰে।

ভাৰতীয় মল্লযুঁজাৰু সুজিৎ কালকালে পুৰুষৰ ৬৫ কিলোগ্ৰাম ফ্ৰী ষ্টাইল ইভেণ্টত স্বৰ্ণ জয় কৰে। বক্সিঙত পাৰবীন হুদাই মহিলাৰ ৬৫ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰাৰ বিপৰীতে অংকুশ পাংঘালে পুৰুষৰ ৮০ কিলোগ্ৰাম শাখাত দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দ্বীক হৰুৱাই সোণৰ পদক লাভ কৰে।

ইয়াৰ পূৰ্বে লাভলীনা বৰগোহাঁয়ে মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰে।

একেদৰে, ভাৰতৰ মহিলা আৰ্চাৰী দলে কালি ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত সোণৰ পদক লাভ কৰে। এছিয়ান গেমছৰ ইতিহাসত মহিলাৰ ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত এয়া ভাৰতৰ প্ৰথমটো স্বৰ্ণপদক।

ভাৰত এছিয়ান গেমছত বৰ্তমানলৈকে ১৭টা সোণ, ২৫টা ৰূপ আৰু ৩৫টা ব্ৰঞ্জসহ মুঠ ৭৭টা পদেকেৰে তালিকাৰ পঞ্চম স্থানত আছে।

০০০০

এছিয়ান গেমছত মহিলাৰ ৰিকাৰ্ভ শাখাৰ একক শিতানত সোণৰ পদক লাভ কৰা কুমকুম অনিল মহদক ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অভিনন্দন জ্ঞাপন কৰিছে। ৰিকাৰ্ভ শাখাৰ একক শিতানত সোণৰ পদক লাভ কৰা কুমকুম দেশৰ প্ৰথমগৰাকী মহিলা। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে কুমকুম অনিল মহদে এছিয়ান গেমছত দলীয় শিতানত আৰু দুটা পদক অৰ্জনেৰে ব্যতিক্ৰমী প্ৰদৰ্শন আগবঢ়াইছে। খেলুৱৈগৰাকীৰ এই কৃতিত্বই যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

০০০০

তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰত আজি ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব। নতুন চণ্ডিগড়ৰ মহাৰাজ যাদবিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া খেলখন দুপৰীয়া দুই বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে তিনিখনীয়া শৃংখলাটোত দুখনত জয়লাভ কৰিছে।

০০০০

সমাপ্ত